**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা সংমণ্ডল আজি পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কঁহৰা সংমণ্ডলৰ প্ৰৱেশদ্বাৰ মিহিমুখত আনুষ্ঠানিকভাৱে সংমণ্ডলটো মুকলি কৰে। এতিয়াৰে পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰি উদ্যানখনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰিব। আজি এই কাৰ্যসূচীত বন মন্ত্ৰীৰ সৈতে মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এইদৰে কয় -

**বাইট**

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি, বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলৰ কিছু অংশ পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। সম্প্ৰতি কঁহৰা বনাঞ্চলৰ মিহিমুখৰ পৰা দাফলাং হৈ বৰুণটিকালৈ পৰ্যটকে জীপ চাফাৰি কৰিব পাৰিব। বন মন্ত্ৰীগৰাকীয়ে আজি কঁহৰা বনাঞ্চল মুকলি কৰি এইবাৰ উদ্যানখনলৈ আৰু অধিক পৰ্যটকৰ আগমন হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু ডব্লিউ টি আৰ পিৰ উদ্যোগত আজি মিহিমুখত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই কাজিৰঙা ৰাইন' ৰাণ শীৰ্ষক মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এটা খৰ্গযুক্ত গঁড়ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই মাৰাথনত অসমৰ উপৰি মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু মণিপুৰৰ তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত অহা ৫ নৱেম্বৰত ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী পালনৰ বাবে প্ৰস্তুতি চলি আছে। উত্তৰ **লখিমপুৰ** চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শিল্পীসকলে আজি ড° ভূপেন হাজৰিকাৰ পূণ্য তিথিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আখৰা কৰে। প্ৰতিকুল বতৰকো নেওচি জিলা আয়ুক্ত তথা স্থানীয় বিধায়ককে ধৰি ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য শিল্পীসকল আখৰাত উপস্থিত থাকে। ৫ নৱেম্বৰত লখিমপুৰতো ৫ হাজাৰ শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰিব।

**কাৰ্বি আংলং** জিলাৰ ডিফুৰ কাছা ষ্টেডিয়ামত সেইদিনা ৫ হাজাৰ শিল্পীয়ে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীতটি সমস্বৰে পৰিৱেশন কৰিব। তদুপৰি ৫ হাজাৰ লোকে মানৱ শৃংখল প্ৰদৰ্শন কৰিব। এই উপলক্ষে জিলাখনৰ বিভিন্ন মহকুমাৰ পৰা ৫০০ কৈ শিল্পী, জ্যেষ্ঠ নাগৰিক, শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা সাংস্কৃতিক প্ৰতিনিধিক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০

কাছাৰ আৰক্ষীয়ে ভুৱা চিকিৎসকৰ বিৰুদ্ধে অভিযান চলাই যোৱা দুদিনত পুনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। জিলাখনত ইয়াকে ধৰি বৰ্তমানলৈকে ১৭ জন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ গ্ৰেপ্তাৰ হোৱা ছোট জালেংগা দ্বিতীয় খণ্ডৰ বাসিন্দা সুপাল ৰায়ে দীৰ্ঘদিন ধৰি ৰোজকান্দি চাহ বাগিচাত নিজৰ ফাৰ্মাচীত চিকিৎসা আগবঢ়াই আহিছিল। পশ্চিমবংগৰ জলপাইগুৰিৰ বাসিন্দা ইন্দ্ৰজিৎ ৰায় নামৰ আনজন লোকে ধাৰাপুৰৰ এখন ক্লিনিকত ভিজিটিং চিকিৎসক হিচাপে ৰোগীক চিকিৎসা কৰিছিল।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত ছোৱাইন ফ্লুৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। গোলাঘাট জিলাৰ সৰুপথাৰৰ খনিকৰ গাঁৱৰ এখন গাহৰি ফাৰ্মত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ নিশ্চিত হোৱাৰ পাছত জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি গাহৰি, গাহৰিৰ মাংস আৰু গাহৰিৰ খাদ্যৰ ক্ৰয়-বিক্ৰয় আৰু পৰিবহণ সৰু পথাৰৰ পৰা ১০ কিলোমিটাৰ পৰিসৰত নিষিদ্ধ কৰা হৈছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্যৰ সুৰক্ষাৰ স্বাৰ্থত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ এই নিৰ্দেশ মানি চলিবলৈ জিলা প্ৰশাসনে জনসাধাৰণক অনুৰোধ জনাইছে।

০০০০০০০

বৰাক উপত্যকাৰ তিনিখন জিলাৰ পৰা যোৱা ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা শিল্পীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। শিলচৰৰ বংগ ভৱনত এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই হাইলাকান্দি, শ্ৰীভূমি আৰু কাছাৰ জিলাৰ মুঠ ৩৩১ গৰাকী শিল্পী, মূল প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যক প্ৰশংসা পত্ৰ আৰু মাননি প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী বৰাই কয়, যে ঝুমইৰ নৃত্য হৈছে চাহ জনগোষ্ঠীয় আৰু আদিবাসী সমাজৰ চহকী ঐতিহ্য তথা অসমৰ সম্পদ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত যোৱা ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ চাহ বাগিচাৰ ২০০ বছৰীয়া ঐতিহ্যক বিশ্ব দৰবাৰত পৰিচিত কৰিলে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

বাইট

আজিৰ অনুষ্ঠানত বৰাক উপত্যকাৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

হোজাই জিলাৰ লংকা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰে পৰা সাংসদ খেল মহোৎসৱ আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানত জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি উপস্থিত ৰাইজে শিল্পীগৰাকীৰ মায়াবিনী গীতটি সমস্বৰে পৰিবেশন কৰে। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলাখনৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষক, বিধায়ক শিবু মিশ্ৰ, ৰামকৃষ্ণ ঘোষৰ উপৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। আজিৰ উদ্বোধনী খেলখন মডাৰ্ণ গেমছ ক্লাব লামডিং আৰু লালুংডুবি ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হয়।

০০০০০০০

**সমাপ্ত**